# দৈনিক অসম

সংখ্যা, ডিব্ৰুগড়, ৭ শাওণ, শুকুৰবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 345। DIBRUGARH, FR


## কানৈ মহাবিদ্যালয়ত 'প্ৰিন্সিপালছ লাষ্ট ক্লাছ' শীৰ্ষক মননশীল বক্তৃতানুষ্ঠান



দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

**ডিব্ৰুগড়, ২৩ জুলাই ঃ** শিক্ষা কেৱল পৰীক্ষাত পাছ কৰিবৰ বাবে লাভ কৰা নম্বৰ নহয়, শিক্ষা হ'ল মানুহৰ জীৱনৰ জীয়াই থকাৰ প্ৰস্তুতি, ই কেতিয়াও জীৱিকা উপাৰ্জনৰ বাবে নহয়। শিক্ষাৰ মূল উদ্দেশ্যটোৱেই হ'ল ভাল মানুহ হোৱা, ভাল মানুহ গঢ়া।— ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ মনোবিজ্ঞান বিভাগৰ অধ্যাপিকা উপাসনা দত্ত আৰু সমাজতত্ত্ব বিভাগৰ অধ্যাপিকা সুজাতা সোণোৱালৰ উদ্যোগত আয়োজিত 'প্ৰিন্সিপালছ লাষ্ট ক্লাছ-১.০' শীৰ্ষক এক বিশেষ বক্তৃতামালা শুভাৰম্ভ কৰি শিক্ষাৰ্থীসকলক উদ্দেশ্যি মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই এই মন্তব্য কৰে। ডঃ শইকীয়াই লগতে কয় যে জীৱনৰ অৰ্থ বাহিৰৰ পৰা দিয়া বস্তু নহয়, ভিতৰৰ পৰা সৃষ্টি কৰা এক গভীৰ অনুভূতি। যি কামে মানুহক আনন্দ দিয়ে, যি কামে নিজক পাহৰাই পেলায়, সেইটোৱেই হ'ল প্ৰকৃততে জীৱনৰ অৰ্থ। যদি জীৱনৰ অৰ্থ অনুভৱ কৰিবলৈ হয়, সেই প্ৰশ্নটো নিজকে কৰা উচিত, নিজক সোধা উচিত। আৱেগিক পৰিৱেশত অনুষ্ঠিত এই 'প্ৰিন্সিপালছ লাষ্ট ক্লাছ' অনুষ্ঠানত অধ্যক্ষগৰাকীৰ জীৱন দৰ্শন, মূল্যবোধ আৰু মানৱীয় বাৰ্তাই উপস্থিত শিক্ষাৰ্থীসকলক গভীৰভাৱে অনুপ্ৰাণিত কৰে। উল্লেখ্য যে আজিৰ এই বক্তৃতানুষ্ঠানত বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰী আৱেগিক হৈ পৰে আৰু জীৱন দৰ্শন সম্পৰ্কে, জীৱনৰ অনুভৱ-উপলব্ধিৰ বিষয়ে অধ্যক্ষজনৰ সৈতে মত বিনিময় কৰে। মন কৰিবলগীয়া যে এই বক্তৃতামালা খণ্ড খণ্ডকৈ অনুষ্ঠিত হ'ব বুলি উদ্যোক্তা দুয়োগৰাকী অধ্যাপিকাই জানিবলৈ দিয়ে।